**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 05-07-2025 **Time :** 1715Hrs.

**<u>Assamese Evening Bulletin</u>**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বাক্সা জিলাত ৰাজ্য চৰকাৰৰ কল্যানকামী আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। মুছলপুৰৰ বাক্সা জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত মুখ্যমন্ত্ৰীয়ে বি টি আৰ প্ৰশাসন, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এই আঁচনিসমূহৰ অধিক সম্প্ৰসাৰণ সন্দৰ্ভত আলোচনা কৰে। বৈঠকত বাক্সা আৰু মানস বিধানসভা সমষ্টিত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ হিতাধিকাৰীৰ সংখ্যা ৫৯ হাজাৰলৈ বৃদ্ধি কৰাৰ উপৰি সমষ্টি দুটাত নতুনকৈ ৪ হাজাৰ লোকক ৰেচন কাৰ্ড প্ৰদানৰ বিষয়ত আলোচনা কৰা হয়। জিলাখনৰ ফাতেমাবাদ আৰু দুমনি চাহ বাগিছাৰ শ্ৰমিকৰ সংখ্যা, এই চাহ বাগিছা দুখনত আঁচনি ৰূপায়ণৰ স্থিতিৰ বিষয়তো আলোচনা কৰা হয়। চৰকাৰৰ এই কল্যাণমূলক পদক্ষেপৰ জৰিয়তে জিলাখনৰ ১ লাখ ৮০ হাজাৰ পৰিয়াল উপকৃত হ'ব বুলি আশা কৰা হৈছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি সেউজ অসম গঢ়াৰ অংশ হিচাপে বাক্সা জিলাৰ আৰৰ্ত ভৱনৰ চৌহদত এটি গছপুলি ৰোপণ কৰে। তেওঁ আৰৰ্ত ভৱনত জিলাখনৰ কেইবাটাও দল-সংগঠনৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ আশ্বাস দিয়ে।

000000

দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনে আজি মানকাচৰ, কাকৰিপাৰা এলেকাত অভিযান চলাই বিভিন্ন দোকানত নিয়োজিত ৮টি শিশুক উদ্ধাৰ কৰে। জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাৰ নিৰ্দেশ মৰ্মে জিলা সহকাৰী আয়ুক্ত নন্দিতা চহৰীয়াৰ নেতৃত্বত আৰক্ষী আৰু সমাজ কল্যাণ বিভাগে শিশু শ্ৰমিককেইটিক উদ্ধাৰ কৰি হাটশিঙিমাৰী শিশুগৃহত গতাই দিয়ে। শিশু শ্ৰমিক কেইটি নিয়োজিত দোকানৰ স্বত্বাধিকাৰীসকলক ২০ হাজাৰ টকাকৈ জৰিমনা বিহা হৈছে। জৰিমনাৰ জৰিয়তে লাভ কৰা ধনখিনি উদ্ধাৰ হোৱা শিশুৰ নামত বেংকত জমা কৰা হ'ব।

0000000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ সন্ধিয়া গুৱাহাটীৰ ৰুক্মিনীগাঁৱৰ নৱনিৰ্মিত উৰণ সেতুখন উদ্বোধন কৰিব। এই উৰণ সেতুখনে ছয়মাইল, ডাউন টাউন, ৰুক্মিনীগাঁৱৰ যান-জট লাঘৱ কৰিব বুলি আশা কৰা হৈছে। ২০২৪ চনৰ অক্টোবৰত উৰণ সেতুখনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছিল। উৰণ সেতুখনৰ নিৰ্মাণৰ বাবে ১৮ মাহ ধাৰ্য কৰা হৈছিল যদিও ৯ মাহৰ ভিতৰতে ইয়াৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। তেওঁ কয় যে ৰুক্মিনীগাঁৱৰ ডাউন টাউনৰ আৰু ছুপাৰ মাৰ্কেটৰ উৰণ সেতু দুখন কামৰূপৰ ৰজা ভগদত্ত নামেৰে নামকৰণ কৰা হ'ব।

0000000

নিচামুক্ত ভাৰত অভিযানৰ অধীনত চিৰাং জিলা সমাজ কল্যান বিভাগৰ উদ্যোগত আৰু জিলা আৰক্ষীৰ সহযোগত আজি কাজলগাঁৱত নিচাজাতীয় দ্ৰব্য সেৱনৰ বিৰুদ্ধে এটা সজাগতা সমদল উলিওৱা হয়। জিলা আয়ুক্ত যতীন বৰাই মুকলি কৰা এই বাইক সমদলত দুশৰো অধিক লোকে অংশগ্ৰহণ কৰে। জিলা আয়ুক্তগৰাকীয়ে তেওঁৰ ভাষণত মাদক দ্ৰব্যৰ ক্ষতিকাৰক প্ৰভাৱ সন্দৰ্ভত বাৰ্তা প্ৰচাৰ আৰু প্ৰতিৰোধমূলক ব্যৱস্থাৰ সজাগতা বৃদ্ধিৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্ৰত সন্মিলিত প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি শ্ৰীবৰাই এখন সুস্থ আৰু মাদক দ্ৰব্য বিহীন সমাজ গঢ়ি তোলাৰ বাবে প্ৰশাসনৰ দায়বদ্ধতাত আলোকপাত কৰে।

০০০০০০

বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰাৰ আজি ৬১ সংখ্যক মৃত্যু বাৰ্ষিকী। ৰাজ্যৰ বিভিন্ন প্ৰান্তত কবিগৰাকীৰ মৃত্যু বাৰ্ষিকী পালন কৰা হৈছে। অসমীয়া ভাষাত সাহিত্য একাডেমী বঁটা লাভ কৰা প্ৰথমগৰাকী সাহিত্যিক দুৱৰাই পশ্চিমীয়া আৰু পাৰচ্যৰ কাব্যমনীষাৰ সৃষ্টিৰাজিৰ আলোকেৰে অসমীয়া কাব্য সাহিত্য সমৃদ্ধ কৰি থৈ গৈছে। ৰমন্যাস যুগৰ কবি হিচাপে দুৱৰাদেৱৰ অৱদান অতুলনীয়।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই মৃত্যুবাৰ্ষিকী উপলক্ষে সাহিত্যিকগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। শ্ৰীসোণোৱালে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে যতীন্দ্ৰনাথ দুৱৰা মননশীল আৰু গভীৰ জীৱনবোধসম্পন্ন সাহিত্য কৰ্মই অসমীয়া ভাষা সাহিত্যৰ পথাৰখন শুৱনি কৰি থৈ গৈছে। মন্ত্ৰী বিমল বৰাই তেওঁৰ বাৰ্তাত অসমীয়া সাহিত্য ক্ষেত্ৰলৈ ওমৰতীৰ্থৰ স্ৰষ্টা দুৱৰাৰ অৱদান চিৰস্মৰণীয় হৈ ৰ'ব বুলি প্ৰকাশ কৰিছে।

০০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাতশিঙিমাৰী -মানকাচৰ সংযোগী ২২ কিলোমিটাৰ পথ পুনৰ নিৰ্মাণৰ লগতে এই পথটো ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীতকৰণৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাই গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ সহযোগত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে হাতে হাতে বেনাৰ, প্লেকাৰ্ড লৈ বিক্ষোভ প্ৰদৰ্শন কৰে। সদৌ অসম ছাত্ৰ সন্থাই জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

০০০০০০০

ৰাজহুৱা খণ্ডৰ মহাৰত্ন কোম্পানী আৰ ই চি লিমিটেডে বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ উন্নয়নৰ বাবে কোম্পানীৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত ৫ কোটি ৩০ লাখ টকা অনুদান আগবঢ়াইছে। এই অনুদানৰ ধনৰাশিৰে ১২০টাৰো অধিক অবৈধ চিকাৰ বিৰোধী শিবিৰত সৌৰ শক্তি আৰু খোৱাপানীৰ সুবিধা উন্নত কৰা হ'ব। ইয়াৰ ফলত বন বিভাগৰ কৰ্মচাৰীসকলৰ বাবে কৰ্মৰ পৰিবেশ অধিক অনুকূল হৈ উঠিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাজিৰঙাৰ সুৰক্ষা আৰু সংৰক্ষণৰ দিশত আগবঢ়োৱা এই অৱদানৰ বাবে কোম্পানীটোৰ শলাগ লৈছে।

০০০০০০০

**সমাপ্ত**